# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-08-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - - - - - - - - -**

ৰাজ্যৰ ছাত্ৰীসকলৰ সৱলীকৰণ, উচ্চ শিক্ষাৰ বাট প্ৰশস্তকৰণ আৰু বাল্য বিবাহ ৰোধৰ উদ্দেশ্যেৰে অসম চৰকাৰে হাতত লোৱা **মুখ্যমন্ত্ৰীৰ নিযুত মইনা** আঁচনিৰ অধীনত আজি গোলাঘাট জিলাৰ মেৰাপানীৰ দৈয়াং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰীসকলৰ মাজত প্ৰ-পত্ৰ বিতৰণ কৰা হয়। প্ৰ-পত্ৰ বিতৰণ কৰি বিত্তমন্ত্ৰী অজন্তা নেওগে অসম চৰকাৰে হাতত লোৱা এই আঁচনিয়ে কন্যা সন্তানৰ শিক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানটোত গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক, দৈয়াং ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষকে ধৰি বিভিন্ন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ইফালে বিধায়ক প্ৰশান্ত ফুকনেও আজি ডিব্ৰুগড়ৰ হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ প্ৰ-পত্ৰ বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উচ্চ শিক্ষা গ্ৰহণৰ বাবে ছাত্ৰীসকলৰ সবলীকৰণৰ দিশত বিশেষকৈ আৰ্থিক দুৰৱস্থাৰ বাবে শিক্ষা গ্ৰহণ কৰিব নোৱৰা ছাত্ৰীসকলৰ মাজত বাল্য বিবাহৰ দৰে গুৰুতৰ সমস্যাসমূহ ৰোধ কৰিবলৈ অসম চৰকাৰৰ এই অভিলাষী আঁচনিখন ফলপ্ৰসূ হ'ব বুলি বিধায়ক ফুকনে আজি অনুষ্ঠানত মন্তব্য কৰে।

ooooo

শাৰদীয় দুৰ্গোৎসৱৰ পাছতেই ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে প্ৰতিটো উন্নয়ন খণ্ডৰ লগতে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ গঠন প্ৰক্ৰিয়া অনুষ্ঠিত কৰা হ'ব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে তিনিচুকীয়াত সংবাদ মাধ্যমৰ আগত এই কথা সদৰি কৰি কয় যে, পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে অহা ১ ছেপ্তেম্বৰৰ পৰা ৭ ছেপ্তেম্বৰৰ ভিতৰত ৰাজ্যৰ উন্নয়ন খণ্ডসমূহৰ পুনৰ গঠন প্ৰক্ৰিয়া সম্পন্ন হ'ব। তেওঁ লগতে কয় যে, ৭ ছেপ্তেম্বৰৰ পাছত খচৰাৰ সংক্ষিপ্তৰূপ প্ৰকাশ পাব আৰু ৰাইজৰ কিবা ওজৰ-আপত্তি থাকিলে সেইসমূহ ১৭ ছেপ্তেম্বৰৰ ভিতৰত নিষ্পত্তি কৰিব লাগিব। জনতাৰ ওজৰ-আপত্তিক লৈ যদি কিবা সংশোধন কৰিবলগীয়া হয়, তেন্তে সেয়া জিলা আয়ুক্তই সম্পূৰ্ণ কৰিব। আনহাতে ১৭ ছেপ্তেম্বৰৰ পাছত খচৰাৰ চূড়ান্ত তালিকা প্ৰকাশ পালে জিলা আয়ুক্তই সেই তালিকা ৰাজ্যিক নিৰ্বাচন আয়োগক প্ৰদান কৰিব। সেই অনুসৰি অহা ডিচেম্বৰৰ ভিতৰতেই পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যাব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে।

ooooo

বাংলাদেশৰ সাম্প্ৰতিক অস্থিৰ পৰিস্থিতিয়ে ভাৰত আৰু বাংলাদেশৰ মাজত বেপাৰ-বাণিজ্যতো প্ৰভাৱ পেলাইছে। চুবুৰীয়া ৰাষ্ট্ৰখনত আৰ্থ-সামাজিক অস্থিৰতাৰ পৰিপ্ৰেক্ষিতত ধুবুৰী জিলাত ভাৰত-বাংলাদেশ সীমান্তৰ আন্তঃৰাষ্ট্ৰীয় নদী বন্দৰ সাময়িকভাৱে বন্ধ হৈ আছে। উল্লেখযোগ্য যে ভাৰত আৰু ভূটান তথা বাংলাদেশৰ পূৰ্ববৰ্তী

চৰকাৰৰ সৈতে হোৱা এটা এলানী আলোচনামৰ্মে ভাৰতীয় অভ্যন্তৰীণ জলমাৰ্গ প্ৰাধিকৰণৰ ধুবুৰী জিলাত থকা এই নদী বন্দৰটোৰে ভূটানৰ পৰা বাংলাদেশৰ ছিলমাৰী নদী বন্দৰলৈ শিল পঠিওৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। কিন্তু বাংলাদেশত উদ্ভৱ হোৱা অস্থিৰতাৰ বাবে ভাৰত চৰকাৰে সদ্যহতে সাময়িকভাৱে এই ব্যৱসায় বন্ধ কৰি ৰাখিছে।

ইফালে অন্তৰৱৰ্তীকালীন চৰকাৰ গঠনৰ পাছত চুবুৰীয়া ৰাষ্ট্ৰখনৰ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ওবাইদুল হাছানে পদত্যাগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰখনৰ ছাত্ৰনেতাসকলে হাছান আৰু অন্যান্য ন্যায়াধীশসকলক আজি দুপৰীয়াৰ ভিতৰত পদত্যাগ কৰিবলৈ চূড়ান্ত সময়সীমা বান্ধি দিছে। এই অনুসৰি মুখ্য ন্যায়াধীশ হাছানে ন্যায়াধীশসকলৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ সন্ধিয়া ৰাষ্ট্ৰপতি মহম্মদ ছাহাবুদ্দিনৰ সৈতে আলোচনা কৰি পদত্যাগ পত্ৰ দাখিল কৰিব।

ooooo

নগাঁও আৰক্ষীয়ে চলাই অহা ড্ৰাগছ বিৰোধী অভিযানত আজি চহৰখনৰ হেৰাপট্টিৰ পৰা নগদ ধন আৰু মাদক দ্ৰব্য জব্দ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি গোপন সূত্ৰ পম খেদি নগাঁও আৰক্ষীৰ এটা অভিযানকাৰী দলে হেৰাপট্টিত চলোৱা অভিযানটোত বৃহৎ পৰিমাণৰ নগদ ধনৰ সৈতে চাৰি বাকচ মাদক দ্ৰব্য মাটিৰ তলৰ পৰা উদ্ধাৰ কৰে। ঘটনা সন্দৰ্ভত এজনী মহিলাসহ দুটা ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। সৰবৰাহকাৰীকেইটাৰ পৰা অধিক তথ্য লাভৰ বাবে আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

ooooo

গোলাঘাটত নিপক'ৰ দৈয়াং জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানী খুলি দিয়াৰ ফলত দৈয়াং আৰু ধনশিৰি নদীৰ কাষৰীয়া বহু অঞ্চল জলমগ্ন হৈ পৰিছে। জিলাখনৰ মেৰাপানী, সৰুপথাৰ, খুমটাই, মৰঙি আদি অঞ্চলসমূহৰ ভালেকেইখন গাঁও বানত ক্ষতিগ্ৰস্ত হৈছে। কেইবা হাজাৰ হেক্টৰ কৃষি পথাৰ পানীত নষ্ট হোৱাৰ লগতে মেৰাপানী অঞ্চলৰ অৰ্ধশতাধিক পৰিয়াল পানীৰ মাজত আবদ্ধ হৈ আছে। গোলাঘাট জিলা প্ৰশাসনে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ বাবে আশ্ৰয় শিবিৰৰ ব্যৱস্থা কৰিছে।

ooooo

সমাপ্ত